**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-04-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। লোকসভাত সংবিধানৰ ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ক লৈ আলোচনা চলি আছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো সাংসদকে নাৰী শক্তি বন্দন অধিনিয়ম সংশোধনী বিধেয়কৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ আহ্বান জনাইছে।

৩। পশ্চিম এছিয়াত চলি থকা সংকট সত্বেও দেশত ৰন্ধন গেছৰ যোগান সুস্থিৰ আছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে।

৪। চলিত বৰ্ষৰ হজযাত্ৰা কাইলৈ আৰম্ভ হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

লোকসভাত সংবিধানৰ ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ক লৈ আলোচনা চলি আছে এই বিধেয়ক তিনিখনৰ জৰিয়তে লোকসভা আৰু বিধানসভাত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰিবলৈ বিচৰা হৈছে।

আলোচনাত অংশগ্ৰহণ কৰি লোকসভাত বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয় যে নাৰী শক্তি বন্দন অধিনিয়ম মহিলাৰ বাবে আসন সংৰক্ষণৰ বিধেয়ক নহয় আৰু মহিলা সবলীকৰণৰ সৈতে ইয়াৰ কোনো সম্পৰ্ক নাই। সংসদত এই বিধেয়ক তিনিখন উত্থাপন কৰি নিৰ্বাচনী মানচিত্ৰ সলনি কৰাৰ প্ৰয়াস কৰা হৈছে বুলি তেওঁ দাবী কৰে। শ্ৰীগান্ধীয়ে বিধেয়ককেইখনে দলিত আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলক সমাজত উচিত স্থানৰ পৰা বঞ্চিত কৰিব বুলি অভিযোগ তোলে। তেওঁ লগতে জাতিগত লোকপিয়লক উপেক্ষা কৰাই, মহিলাৰ বাবে আসন সংৰক্ষণৰ বিধেয়কৰ উদ্দেশ্য বুলি অভিযোগ উত্থাপন কৰে। বিধেয়ককেইখনত অন্যান্য পিছপৰা শ্ৰেণী, দলিত, সংখ্যালঘু আৰু মহিলাসকল সন্মুখীন হোৱা বৈষম্যৰ বিষয়টো আওকাণ কৰা হৈছে বুলি মন্তব্য কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ নেতাগৰাকীৰ যাদুগড়ৰ উপমা দিয়া কাৰ্যৰ বিৰোধিতা কৰে আৰু বিধেয়ককেইখনত মনোযোগ দিবলৈ আহ্বান জনায়।

ৰাহুল গান্ধীৰ ভাষণৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কংগ্ৰেছৰ সাংসদগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৰা সমালোচনাক গৰিহণা দিয়ে আৰু ক্ষমা খুজিবলৈ দাবী জনায়। সাংসদগৰাকীৰ আপত্তিজনক মন্তব্যক সদনৰ কাৰ্যবিৱৰণীৰ পৰা বাদ দিবলৈ তেওঁ আহ্বান জনায়।

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱেও ৰাহুল গান্ধীক সমালোচনা কৰে আৰু তেওঁৰ মন্তব্যক অসংসদীয় বুলি অভিহিত কৰে। শ্ৰীৰিজিজুৱে লগতে সদনৰ কাৰ্যক্ৰমণিকাৰ নিয়ম অনুসৰি বিধেয়ককেইখন সন্দৰ্ভত মন্তব্য কৰিবলৈ কংগ্ৰেছ সাংসদগৰাকীৰ প্ৰতি আহ্বান জনায়। আলোচনাত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰী এইছ্ ডি কুমাৰস্বামীয়ে কয় যে মহিলাৰ বাবে আসন সংৰক্ষণক অনুগ্ৰহৰ বিষয় নহয়, বৰং সমাজৰ প্ৰতি মহিলাসকলৰ অৱদানৰ সঠিক স্বীকৃতি বুলি গণ্য কৰা উচিত। তেওঁ কয় যে দেশে স্বাধীনতা লাভ কৰাৰ প্ৰায় ৭৫ বছৰ পাছত চৰকাৰে লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণত নিকা আৰু অৰ্থবহ ব্যৱস্থা সুনিশ্চিত কৰি ঐতিহাসিক পদক্ষেপ লৈছে।

নিম্ন সদনত উত্থাপন কৰা বিধেয়কেইখনৰ প্ৰতি সমৰ্থন জনাই কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত মহিলাসকল দেশৰ উন্নয়ন যাত্ৰাত অংশীদাৰ হোৱাই নহয়, বৰং ৰাষ্ট্ৰৰ ভৱিষ্যৎ গঢ়াৰ বাবে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণকাৰীৰূপে পৰিগণিত হৈছে। তেওঁ লগতে ৰাহুল গান্ধীয়ে নিজৰ ভাষণৰ সময়ত অসংসদীয় শব্দ প্ৰয়োগ কৰাৰ বাবে কংগ্ৰেছ নেতাগৰাকীক তীব্ৰ সমালোচনা কৰে।

ডি এম কেৰ সাংসদ কে কানিমোঝিয়ে বিধেয়ক কেইখনৰ বিৰোধিতা কৰি, ২০২৩ বৰ্ষত গৃহীত মহিলা সংৰক্ষণ আইনৰ বিষয়ে চৰকাৰে যোৱা নিশাহে জাননী জাৰি কৰাটোক উদ্বেগজনক বুলি অভিহিত কৰে। সদনত মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টোক লৈ আলোচনা অনুষ্ঠিত হৈ থকা সময়ত এনে ব্যৱস্থাৰ কি প্ৰয়োজন আছিল বুলি তেওঁ প্ৰশ্ন কৰে। সাংসদগৰাকীয়ে লগতে তামিলনাডুকে ধৰি বিভিন্ন ৰাজ্যত হৈ থকা নিৰ্বাচনত বিঘিনি ঘটোৱাৰ উদ্দেশ্যেহে এই বিশেষ অধিবেশনত বিধেয়ককেইখন উত্থাপন কৰা বুলি চৰকাৰৰ বিৰুদ্ধে অভিযোগ কৰে। কংগ্ৰেছ সাংসদ শশী থাৰুৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টো সম্প্ৰতি সৰ্বসন্মত ৰাজনৈতিক সিদ্ধান্তৰ দুৱাৰডলিত উপস্থিত হৈছে বুলি মত প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো সাংসদকে নাৰী শক্তি বন্দন অধিনিয়ম সংশোধনী বিধেয়কৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ আহ্বান জনাইছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয় যে সমগ্ৰ দেশৰ লাখ লাখ মহিলাৰ দৃষ্টি সংসদ, ইয়াৰ অভিপ্ৰায় আৰু সিদ্ধান্তৰ প্ৰতি নিবদ্ধ হৈ আছে। তেওঁ লগতে সকলো ৰাজনৈতিক দলকে মহিলাৰ বাবে আসন সংৰক্ষণৰ হকে ভোটদান কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কয় যে সংসদত নাৰী শক্তি অধিনিয়মৰ সংশোধন সন্দৰ্ভত আলোচনা চলি আছে। তেওঁ কয় যে সংশোধনক লৈ বিয়পোৱা বিভ্ৰান্তিকৰ তথ্য নিয়ন্ত্ৰণ কৰাৰ বাবে যুক্তিপূৰ্ণ উত্তৰ দিয়া হৈছে আৰু চৰকাৰ সকলো ধৰণৰ আশংকা দূৰ কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীমোদীয়ে কয় যে দেশৰ অৰ্ধেক জনসংখ্যাই উচিত অধিকাৰ লাভ কৰাৰ সঠিক সময় আহি পৰিছে। দেশৰ শক্তিক শ্ৰদ্ধা জনোৱাৰ এয়া মহা উত্তম সুযোগ বুলি তেওঁ মন্তব্য কৰে।

ooooo

পশ্চিম এছিয়াত চলি থকা সংকট সত্বেও দেশত ৰন্ধন গেছৰ যোগান সুস্থিৰ আছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। নতুন দিল্লীত আন্তঃমন্ত্ৰালয়ে বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব সুজাতা শৰ্মাই কয় যে দেশত ৰন্ধন গেছৰ যোগান নিয়মীয়া হৈ আছে আৰু দেশৰ কোনো ঠাইৰ পৰা গেছৰ নাটনিৰ তথ্য পোৱা নাই। কালিৰ দিনটোত প্ৰায় ৫০ লাখ ৰন্ধন চিলিণ্ডাৰ যোগান ধৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। সচিবগৰাকীয়ে লগতে কয় যে বৰ্তমান প্ৰায় ৯৮ শতাংস চিলিণ্ডাৰৰ বুকিং

অনলাইনযোগে কৰা হৈছে। ব্যৱসায়িক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ উপলভ্যতা সন্দৰ্ভত সচবিগৰাকীয়ে কয় যে এতিয়ালৈ প্ৰায় ৭০ শতাংশ চিলিণ্ডাৰৰ যোগান ধৰা হৈছে।

০০০০০

**অসমত ৰন্ধন গেছৰ ঘৰুৱা আৰু বাণিজ্যিক চিলিণ্ডাৰৰ যোগানত কোনো অসুবিধাৰ উদ্ভৱ হোৱা নাই বুলি ভাৰতীয় তেল নিগম কৰ্তৃপক্ষই স্পষ্ট কৰি দিছে। গুৱাহাটীত আজি আয়োজিত এখন সংবাদ মেলত ভাৰতীয় তেল নিগম, আই অ চি এলৰ কাৰ্যবাহী সঞ্চালক নীতিন ভাটনাগৰে এই সন্দৰ্ভত কয় যে ৰাজ্যৰ চাৰিটা শোধানাগাৰতেই সম্প্ৰতি নিয়মীয়াকৈ গেছৰ উৎপাদন তথা যোগান অব্যাহত আছে। নতুনকৈ প্ৰৱৰ্তন কৰা ই-কেৱাইচি পদ্ধতিৰ জৰিয়তে ৰাজ্যখনৰ ৮৪ শতাংশ গ্ৰাহকে চিলিণ্ডাৰ বুক কৰাৰ তথ্য প্ৰকাশ কৰি প্ৰতিষ্ঠানটোৰ ৰাজ্যিক মুৰব্বী শ্ৰীভাটনাগৰে কয় যে সম্প্ৰতি ৰাজ্যৰ ৯৩ লাখ গ্ৰাহকক নিয়মীয়াকৈ ইন্ধন যোগান ধৰি থকা হৈছে। তদুপৰি নিৰ্ধাৰিত মূল্যতকৈ অধিক দৰত চিলিণ্ডাৰ বিক্ৰীৰ অভিযোগ সন্দৰ্ভত কৰ্তৃপক্ষই জাননী জাৰি কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এনে অভিযোগক কেন্দ্ৰ কৰি ইতিমধ্যে ৮৮গৰাকী বিতৰকক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাৰ লগতে ৬টা বিতৰকক নিলম্বন কৰা হৈছে। আনহাতে অধিক দৰত চিলিণ্ডাৰ বিক্ৰী কৰাৰ অভিযোগত ৩ জন লোকক গ্ৰেপ্তাৰ হৈছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।**

০০০০০

চলিত বৰ্ষৰ হজযাত্ৰা কাইলৈৰ পৰা আৰম্ভ হ'ব। দেশৰ বিভিন্ন স্থানৰ পৰা কাইলৈ হজযাত্ৰীসকলে চৌদি আৰবলৈ যাত্ৰা কৰিব। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে এইবাৰ দেশৰ ১ লাখ ৭৫ হাজাৰতকৈও অধিক হজযাত্ৰীয়ে এই যাত্ৰাত ভাগ ল'ব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে হজযাত্ৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয় যে হজযাত্ৰীসকলে যাতে যাত্ৰাৰ সময়ত উন্নত সা-সুবিধা লাভ কৰে সেই উদ্দেশ্যে মন্ত্ৰালয়ে বিভিন্ন নতুন পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰায় কুৰি দিনৰ চমু হজ যাত্ৰাৰ বিকল্প ব্যৱস্থা আৰম্ভ কৰা হৈছে। হজ যাত্ৰীসকলে যাতে **হজ সুবিধা এপ**ৰ জৰিয়তে ডিজিটেল ব্যৱস্থাৰ সুবিধা গ্ৰহণ কৰিব পাৰে তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সন্ধানহীন হোৱা হজযাত্ৰীসকলক যাতে সহজে বিচাৰি উলিয়াব পৰা যায় তাৰ বাবে বিশেষ স্মাৰ্ট ৰিষ্টবেণ্ডৰ ব্যৱস্থা কৰা হৈছে। হজযাত্ৰীসকলৰ সুবিধা সুনিশ্চিত কৰাৰ বাবে যাত্ৰাৰ সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে চৌদি আৰৱ কৰ্তৃপক্ষৰ সৈতে সুসমন্বয় অব্যাহত ৰাখিছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰাণৰ সৈতে যুদ্ধবিৰতিৰ বাবে অতি সোনকালে এখন চুক্তিত স্বাক্ষৰ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। অৱশ্যে তেওঁ স্পষ্ট কৰি সময়সীমা উল্লেখ কৰা নাই। তেওঁ কয় যে অহা সপ্তাহত সমাপ্ত হ'বলগীয়া দেশ দুখনৰ মাজত যুদ্ধবিৰতিৰ সময়সীমা বৃদ্ধি কৰা হ'ব পাৰে। অৱশ্যে ইৰাণে যিহেতু চুক্তি স্বাক্ষৰ কৰাৰ বাবে ইচ্ছুক গতিকে যুদ্ধিবিৰতিৰ সময় বৃদ্ধিৰ প্ৰয়োজন নহ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ইপিনে, ইৰাণৰ উপ-বিদেশ মন্ত্ৰী ছৈয়দ খতীবজাদেহে অস্থায়ী যুদ্ধবিৰতি সম্পূৰ্ণ প্ৰত্যাখান কৰিছে। তেওঁ ইৰাণে দেশখনত যুদ্ধ সমাপ্ত কৰাৰ বাবে এটা স্থায়ী সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। তুৰ্কীত আণ্টাল্যা কূটনৈতিক মঞ্চৰ বৈঠকৰ সময়ত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী খতীবজাদেহে যিকোনো ধৰণৰ যুদ্ধবিৰতিয়ে লেবাননৰ পৰা লোহিত সাগৰলৈ সকলো সংঘৰ্ষজৰ্জৰ অঞ্চলক সামৰি লোৱা উচিত বুলি উল্লেখ কৰে।

ooooo

ঝাৰখণ্ডৰ হাজাৰিবাগ জিলাৰ পিৰৰৱাৰ কেৰেদাৰি সীমান্ত অঞ্চলত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা গুলীয়াগুলিৰ ঘটনাত চাৰিজন মাওবাদী নিহত হয়। কোব্ৰা বেটেলিয়ন আৰু জিলা আৰক্ষীৰ এই যুটীয়া অভিযানত সংঘৰ্ষস্থলীৰ পৰা ভালেমান অস্ত্ৰ-শস্ত্ৰ, গোলা-বাৰুদ উদ্ধাৰ কৰা হৈছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে নিহত মাওবাদী কেইজনৰ এজনক চিনাক্ত কৰা হৈছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত ব্যাপক তালাচী অভিযান অব্যাহত ৰাখিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত